# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 12-10-2024
**Time :** 21-25 Hrs

## *Assamese Night Bulletin*

:::::::::::::::::::::::::::::::::

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৬ সংখ্যক জন্মোৎসৱ উপলক্ষে আজি ৰাজ্যৰ সত্ৰ, নামঘৰসমূহ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ পৰা পৰিলক্ষিত হয়। মাজুলীৰ সত্ৰসমূহৰ লগতে নগাঁও জিলাৰ বটদ্ৰৱা থানত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষজনাৰ জন্মোৎসৱ পালন কৰা হৈছে। গুৰুজনাৰ আৱিৰ্ভাৱ তিথি উপলক্ষে সত্ৰপীঠ মাজুলী  ভক্তিৰসত বুৰ গৈছে। মাজুলীৰ সকলো সত্ৰ আৰু নামঘৰত ৩-৪ দিনীয়া কাৰ্যসূচীৰে জন্মোৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে বিভিন্ন নামঘৰত বৰগীত, দিহানাম আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি পুৱাৰ ভাগত ভাগৱত ভ্ৰমণ আৰু সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হোৱাৰ পাছত ধৰ্মালোচনা সভাৰ আয়োজন কৰা হয়। নিশালৈ মাজুলীৰ প্ৰায়সংখ্যক নামঘৰত ভাওনা পৰিবেশনৰ কাৰ্যসূচী লোৱা হৈছে। বৰপেটা সত্ৰটো গুৰুজনাৰ জন্মোৎসৱ উপলক্ষে নাম প্ৰসংগকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ উজান বাহবাৰীৰ শংকৰ মন্দিৰত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত মহাপুৰুষজনাৰ জন্মোৎসৱৰ আজি নিশা সামৰণি পৰিব। কাৰ্যসূচী অনুসৰি উষা কীৰ্তন, পতাকা উত্তোলন, গছপুলি ৰোপণ, ভাগৱত শোভাযাত্ৰা, নাম প্ৰসংগ, ভক্তিমূলক গীতৰ অনুষ্ঠান আদি অনুষ্ঠিত হয়।

০০০০

আজি শাৰদীয় দুৰ্গোৎসৱৰ বিজয়া দশমী। ষষ্ঠীত প্ৰতিষ্ঠা কৰা দেৱীৰ আজি দশমী আৰু অপৰাজিতা পূজা সম্পন্ন কৰাৰ পাছত নৱপত্ৰিকা বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হয়। অৱশ্যে বিভিন্ন স্থানত কাইলৈহে দেৱীৰ মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়া হব। গুৱাহাটী মহানগৰীত আজিৰে পৰা ৩ দিনীয়াকৈ প্ৰতিমা  বিসৰ্জনৰ ব্যৱস্থা কৰা হৈছে। বিসৰ্জন প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। বিশেষকৈ বাট পথসমূহত যান-যটৰ সমস্যা লাঘৱ কৰাৰ বাবে যান বাহন আৰক্ষীয়ে বিহিত ব্যৱস্থা  গ্ৰহণ কৰিছে। মহানগৰীৰ কোনো কোনো অঞ্চলত আজিয়ে যথাবিহিত পৰম্পৰাৰে বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন হৈছে। সম্পূৰ্ণ নিয়াৰিকৈ এই প্ৰক্ৰিয়া সম্পন্ন হৈছে বুলি আৰক্ষী আয়ুক্তই প্ৰকাশ কৰিছে।

আজিৰ দিনটোত গুৱাহাটীত ৫৫ খন প্ৰতিমা বিসৰ্জন দিয়া হব বুলি প্ৰশাসনৰ সূত্ৰই প্ৰকাশ কৰিছে। আনহাতে, কাইলৈ দুই শতাধিক দেৱী প্ৰতিমা বিসৰ্জন দিয়া হ'ব।

বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ ৰূপহীত অনুষ্ঠিত সাৰ্বজনীন দুৰ্গা পূজাত আজিও অগণন লোকৰ সমাগম হয়। কাইলৈহে এই পূজাৰ বিজয়া দশমী পালন কৰা হব। আজি পূজাথলীত ঢুলীয়া নৃত্য আৰু স্যাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনত দুই এখন পুজা সমিতিয়ে আজি দেৱী প্ৰতিমা বিসৰ্জন দিছে যদিও অধিকাংশ পূজা সমিতিয়ে কাইলৈহে প্ৰতিমা বিসৰ্জন দিব। একেদৰে ধুবুৰী জিলাতো কিছুসংখ্যক পূজা সমিতিয়ে আজি বিজয়া দশমী পালন কৰি মৃন্ময় প্ৰতিমা বিসৰ্জন দিয়ে। অধিক সংখ্যক পূজাৰ প্ৰতিমা কাইলৈ বিসৰ্জন দিয়া হব।

০০০০

মৰিগাওঁ জিলা প্ৰশাসনে অহা ১৪ আৰু ১৫ অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰিগাওঁ জিলা দিৱস উদ্‌যাপন কৰিব। এইবাৰ এই দিৱসত কৃষি আৰু ইয়াৰ আনুসংগিক ক্ষেত্ৰ, উদ্যান শস্য, কলা সংস্কৃতি আৰু আৰ্থসামাজিক প্ৰতিটো দিশ সামৰিলৈ বিকাশৰ নতুন ধাৰাৰে জিলাখনক আগবঢ়াই লৈ যোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। গৱেষণামূলক কৰ্মপন্থা আৰু নাগৰিকসকলৰ ঐক্যবদ্ধ প্ৰয়াসেৰে জিলাখনৰ উন্নয়নৰ সম্ভাৱনাসমূহ চিনাক্ত কৰাৰ বাবে এই দিৱসৰ সৈতে সংগতি ৰাখি কেতবোৰ কাৰ্যসূচী লোৱা হৈছে। সেই অনুসৰি ১৪ অক্টোবৰৰ পুৱা এটা বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হ'ব। দিনৰ ভাগত পতাকা উত্তোলন আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ বাবে মৰিগাঁও জিলাৰ বিভিন্ন সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। ১৫ অক্টোবৰৰ পুৱা একেটা বিষয়ত যুৱ সমাৰোহৰ আয়োজন কৰা হৈছে। তদুপৰি কুইজ প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। উল্লেখযোগ্য যে ১৯৮৯ চনৰ ১৯ চেপ্তেম্বৰত মৰিগাওঁ জিলাই নগাওঁৰ পৰা পৃথক হৈ এখন সুকীয়া জিলা হিচাপে মৰ্যাদা লাভ কৰিছিল। সেই বছৰৰে ১৪ অক্টোবৰত জিলাখনৰ প্ৰথমগৰাকী উপায়ুক্তই দায়িত্বভাৰ গ্ৰহণ কৰিছিল। পবিতৰা অভয়াৰণ্য, গোভা ৰজা আৰু ৰাজ পৰিয়ালৰ ঐতিহ্য, দেওশাল শিৱ মন্দিৰ, সীতাজখলা পৰ্যটন ক্ষেত্ৰ, মায়ঙৰ যাদুবিদ্যা আৰু পশ্চিম মায়ঙৰ শিলালিপিকে ধৰি বিভিন্ন স্বকীয় বৈশিষ্ট্যৰে মৰিগাওঁ জিলাই ৰাজ্যখনৰ ভিতৰত সুকীয়া স্থান দখল কৰি আছে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত বনৰীয়া হাতীৰ উপদ্ৰৱৰ ফলত ধনজনৰ ক্ষতি হোৱা বুলি জানিব পৰা গৈছে। গোৱালপাৰা জিলাৰ দলগোমা গোপালপুৰ কিলাপাৰা গাওঁত আজি পুৱতি নিশা বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হয়। আনহাতে, মহিলাগৰাকীৰ শিশু সন্তানটি গুৰুতৰভাৱে আহত হয়। আৰক্ষীয়ে খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত উপস্থিত হৈ মৃত মহিলাগৰাকীক মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখযোগ্য যে অঞ্চলটোত সঘনাই বনৰীয়া হাতীয়ে উপদ্ৰৱ চলোৱাৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হৈছে।

ইপিনে, কাজিৰঙাৰ সমীপৱৰ্তী হাৰমতি ভালুকজুৰিত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক নিহত হৈছে। লোকজন লক্ষীৰাম মুড়া বুলি চিনাক্ত কৰা হৈছে। একেদৰে কোকৰাঝাৰ জিলাত ৰায়মনা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বনৰীয়া হাতীয়ে জিলাখনৰ কুসুমবিল গাওঁত উপদ্ৰৱ চলাইছে। ইয়াৰ ফলত বাসগৃহ আৰু খেতিপথাৰ বিনস্ত হোৱাৰ উপৰি এজন লোকৰ কথমপি প্ৰাণ ৰক্ষা পৰে। বন বিভাগৰ কৰ্মীসকলে ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চেষ্টা চলাই আছে।

০০০০

উদ্ধাৰ সম্পৰ্কীয় আখৰামূলক অনুশীলন আৰু বাৰ্ষিক নৱীকৰণৰ বাবে গুৱাহাটীৰ ৰ'পৱে ১৫ অক্টোবৰৰ পৰা ২৪ অক্টোবৰলৈ যাত্ৰীসকলৰ বাবে বন্ধ ৰখা হ'ব। ২৫ অক্টোবৰৰ পৰা পুনৰ যাত্ৰীৰ বাবে ৰ'পৱে মুকলি কৰা হ'ব। গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধীকৰণে এই নিৰ্দেশযোগে এই কথা প্ৰকাশ কৰিছে।

০০০০

ভাৰত আৰু বাংলাদেশৰ মাজত টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিমখন খেলত আজি ভাৰতে বাংলাদেশক জয়ৰ বাবে ২৯৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰত্যুত্তৰত এই বাতৰি যুগুতোৱালৈ বাংলাদেশে ২ অভাৰত এটা উইকেট হেৰুৱাই ১৭ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

০০০০

সমাপ্ত